# ৬.০০ উপসংহাৰ

গৱেষণা গ্ৰন্থখনৰ পাঁচটা অধ্যায়ত আইতনসকলৰ পৰিচয়, আইতন ভাষাৰ শব্দাৱলীৰ শ্ৰেণীবিভাজন, আইতন সকলৰ সমাজ জীৱনৰ লগত জড়িত শব্দ, ভৌতিক-অভৌতিক বস্তুৰ লগত জড়িত শব্দ আৰু আইতন ভাষাত অনা-আইতন ভাষাৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা হৈছে।

৬.০১ আইতনসকল মঙ্গোলীয় প্ৰজাতিৰ লোক। মঙ্গোলীয় প্ৰজাতিৰ আইতনসকলৰ আদি বাসস্থান চীনদেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰ ইয়াংচিকিয়াং আৰু হোৱাংহো নদীৰ উৎপত্তি স্থল। আহোমসকলৰ আগমনৰ পিছত থাই-চীন শাখাৰ আইতন সকলেও অসমত প্ৰৱেশ কৰে।

৬.০২ শব্দ হ'ল ভাষাৰ মূল সম্পদ। আইতন ভাষাৰ শব্দাৱলী মূলত তিনিটা উৎসৰ পৰা গঢ় লৈ উঠিছে। এই উৎস তিনিটা হ'ল -

ক) জন্মসূত্ৰে অৰ্থাৎ ভাষা পৰিয়ালৰ পৰা বিৱৰ্তনৰ মাজেদি লাভ কৰা শব্দ।

খ) থলুৱা ভাষাৰ পৰা অহা শব্দ।

গ) অসমীয়া ভাষাৰ যোগেদি অহা ভাৰতীয় অভাৰতীয় শব্দ।

৬.০৩ উৎস অনুসৰি, গাঁথনিক বৈশিষ্ট্য অনুসৰি আৰু বিষয় অনুসৰি আইতন ভাষাৰ শব্দাৱলীক শ্ৰেণী বিভাজন কৰিব পাৰি। উৎস অনুসৰি মৌলিক বা নিজা শব্দ, থলুৱা ভাষাৰ পৰা অহা শব্দ আৰু থলুৱা ভাষাৰ যোগেদি অহা ভাৰতীয়-অভাৰতীয় শব্দ এই দুটা ভাগত শ্ৰেণীবিভাজন কৰিব পাৰি। গাঁথনিক বৈশিষ্ট্য অনুসৰি সৰল আৰু যৌগিক এই দুটা ভাগত ভাগ কৰিব পাৰি। আনহাতে বিষয় অনুসৰি আইতন ভাষাৰ শব্দাৱলীক সমাজ জীৱনৰ লগত জড়িত শব্দ আৰু ভৌতিক-অভৌতিক বিষয়ৰ লগত জড়িত শব্দ এই দুটা ভাগত ভাগ কৰা হৈছে।

৬.০৪ সম্বন্ধবাচক শব্দ, বিবাহৰ লগত জড়িত শব্দ, নিষেধাত্মক শব্দ, শাসন ব্যৱস্থাৰ লগত জড়িত শব্দ আৰু সংখ্যাবাচক শব্দক সমাজ জীৱনৰ লগত জড়িত শব্দ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

৬.০৫ আইতন সমাজত স্বজনীয়তা (KINSHIP) তেজৰ সম্বন্ধ বা জন্ম আৰু বৈবাহিক সম্বন্ধৰ দ্বাৰ গঢ় লৈ উঠিছে। আইতন ভাষাৰ সম্বন্ধবাচক শব্দসমূহক প্ৰয়োগ অনুসৰি তিনিটা ভাগত ভাগ কৰিব পাৰি -

ক) প্ৰাথমিক সম্বন্ধত প্ৰয়োগ কৰা শব্দাৱলী।

খ) দ্বিতীয় সম্বন্ধত প্ৰয়োগ কৰা শব্দাৱলী।

গ) তৃতীয় সম্বন্ধত প্ৰয়োগ কৰা শব্দাৱলী।

৬.০৬ আইতনসকলৰ মাজত বৰ্হিবিবাহ (Exogamy) অন্তবিবাহ (Endogamy) দুই প্ৰকাৰ বিবাহৰ প্ৰচলন আছে। বৌদ্ধধৰ্মৰ ৰীতি-নীতিৰে তেওঁলোকে বিবাহ কাৰ্য সম্পন্ন কৰে। তেওঁলোকৰ মাজত বহু বিবাহৰো প্ৰচলন আছে। সেয়েহে আইতন ভাষাত বহুপত্নী বুজোৱা শব্দ পোৱা যায়। যেনে -

| | |
|---|---|
| মিলুং | - প্ৰথম পত্নী |
| মি সুন কান | - দ্বিতীয় পত্নী |
| মি এন | - তৃতীয় পত্নী |
| মি কই | - চতুৰ্থ পত্নী |

৬.০৭ প্ৰত্যেক সমাজতে কিছুমান সমাজ বৰ্জিত শব্দ থাকে। যাক নিষিদ্ধ শব্দ বুলি কোৱা হয়। আইতন সমাজতো কিছুমান সমাজ বৰ্জিত বা নিষিদ্ধ শব্দ পোৱা যায়। এইবিলাক আইতন ভাষাৰ নিজা বা মৌলিক শব্দ। আইতন ভাষাৰ নিষিদ্ধ শব্দসমূহ কিছুমান শৰীৰৰ অংগ সম্বন্ধীয়, কিছুমান স্ত্ৰী বিষয়ক আৰু কিছুমান পুৰুষক বিষয়ক নিষিদ্ধ শব্দ।

৬.০৮ আইতন ভাষাত একৰ পৰা দহলৈকে পৃথক পৃথক শব্দ ব্যৱহাৰ কৰা হয়। এঘাৰ পৰা ঊনৈশলৈকে, একৈশৰ পৰা ঊনত্ৰিশলৈকে, একত্ৰিশৰ পৰা ঊনচল্লিশলৈকে আদি সংখ্যাবাচক শব্দ দহ, বিশ আদি সংখ্যাবাচক শব্দৰ লগত একৰ পৰা ন বুজোৱা শব্দ যোগ কৰি গঠন কৰা হয়। আনহাতে ত্ৰিশ, চল্লিশ, পঞ্চাশ, ষাঠি, সত্তৰ, আশী আৰু নব্বৈ সংখ্যাবাচক শব্দ গঠনৰ কাৰণে পূৰণাত্মক পদ্ধতি প্ৰয়োগ কৰা হয়। এইক্ষেত্ৰত একৰ পৰা নলৈকে সংখ্যাবাচক শব্দক দহ বুজোৱা সংখ্যাবাচক শব্দৰে পূৰণ কৰা হয়।

৬.০৯ ভৌতিক-অভৌতিক দিশৰ লগত জড়িত আইতন ভাষাৰ শব্দাৱলীসমূহক ধৰ্ম, কৃষি সম্পৰ্কীয় শব্দাৱলী, গৃহ নিৰ্মাণ সম্পৰ্কীয় শব্দ, চিকাৰৰ লগত জড়িত শব্দ আৰু সাজপাৰ সম্পৰ্কীয় শব্দ আদিভাগত ভাগ কৰি আলোচনা কৰা হৈছে। এই শব্দসমূহ ভাষা পৰিয়ালৰ বিৱৰ্তনৰ মাজেদি লাভ কৰা আইতন ভাষাৰ মৌলিক শব্দ। ভাষিক সংখ্যালঘু, দ্বিভাষিকতা আদি কাৰকৰ ফলত এই বিষয়সমূহৰ লগত জড়িত বহু শব্দ হেৰাই যোৱাৰ উপক্ৰম হৈছে।

৬.১০ বিজ্ঞানৰ ন-ন উদ্ভাৱন, শিক্ষা ব্যৱস্থাৰ সম্প্ৰসাৰণ, মুক্ত বাণিজ্যিকীকৰণ, যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়ন, ভৌগোলিক অৱস্থিতি, বৈবাহিক সম্পৰ্ক আদি কাৰকৰ ফলত আইতন ভাষালৈ অনা-আইতন ভাষাৰ শব্দৰ আগমন ঘটিছে।